জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২৫/২০২০

# অসম-মিজোৰাম সীমান্তৰ শেহতীয়া পৰিস্থিতি জনাই কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## লাইলাপুৰৰ অসম-মিজোৰাম সীমান্তত মিজো দুষ্কৃতিকাৰীৰ দ্বাৰা অপহৃত হৈ মৃত্যুবৰণ কৰা ইনতাজুল লস্কৰৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

## মৃতকৰ নিকটাত্মীয়লৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ বাবে জিলা উপায়ুক্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক ঘটনাস্থলীলৈ ৰাওনা হোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২ নৱেম্বৰ ঃ** কাছাৰ জিলাৰ লাইলাপুৰ সীমান্ত আৰক্ষী চকীৰ অধীনৰ সীমান্ত অঞ্চলৰ পৰা মিজো দুষ্কৃতিকাৰীৰ দ্বাৰা অপহৃত হৈ মৃত্যুবৰণ কৰা ইনতাজুল লস্কৰৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে মৃতকৰ নিকটাত্মীয়লৈ ৫ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ বাবে কাছাৰ জিলাৰ উপায়ুক্তক ইতিমধ্যে নিৰ্দেশ দিছে।

আনহাতে অসম-মিজোৰামৰ সীমান্তত বৰ্তমানে সংঘটিত হৈ থকা পৰিস্থিতিৰ সবিশেষ জনাই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহলৈ আজি এক জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কাছাৰ জিলাৰ উপায়ুক্তৰ সৈতেও টেলিফোনযোগে বাৰ্তালাপ কৰি শেহতীয়া পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক ঘটনাস্থলীলৈ অতিশীঘ্ৰে ৰাওনা হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ বাবেও আজি নিৰ্দেশ প্ৰদান কৰে।

**পুঃডেঃ / বঃভাঃ**
**২/১১/২০২০**